# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-11-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত এছিয়াৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ প্ৰথমখন সন্মিলন মুকলি কৰিব।

২।	কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰত বিশ্বৰ একমাত্ৰ দেশ য'ত এঘাৰটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছে।

৩।	মিজোৰামত আজি আইজল, ক'লাছিব আৰু ছাইতুৱাল জিলা তিনিখন সামৰি থকা ছিনলুং পাৰ্বত্য পৰিষদৰ ১২ গৰাকী সদস্য নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

৪।	ভাৰতীয় ৰে'লৱেই আজিৰ পৰা ২২ খন উৎসৱ বিশেষ ৰে'লগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰিছে।

**আৰু**

৫।	আমেৰিকা যুক্তৰাষ্ট্ৰত আজি বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত এছিয়াৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ প্ৰথমখন সন্মিলন মুকলি কৰিব। এই দুদিনীয়া শীৰ্ষ সন্মিলনত বৌদ্ধ ধৰ্মৰ চহকী ঐতিহ্যক উদযাপন কৰা হ'ব। সন্মিলনত এছিয়া মহাদেশৰ সংঘৰ সন্মানীয় নেতা, পণ্ডিত আৰু বৌদ্ধ ধৰ্মৰ অনুশীলনকাৰীসকলে অংশগ্ৰহণ কৰিব। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে সন্মুখীন হোৱা সমসাময়িক প্ৰত্যাহ্বানসমূহৰ বুজ লোৱাৰ লগতে আলোচনাৰ পোষকতা কৰাই এই সন্মিলনৰ লক্ষ্য। সাংস্কৃতিক মন্ত্ৰালয়ে আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ সংঘৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনৰ বিষয়বস্তু হৈছে- এছিয়াৰ শক্তিশালীকৰণত **বুদ্ধ ধম্মা**ৰ ভূমিকা।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কানাডাৰ এটা হিন্দু মন্দিৰত চলোৱা আক্ৰমণক তীব্ৰ গৰিহণা দিছে। সামাজিক মাধ্যমত লিখা এটা পষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, দেশৰ কূটনীতিবিদসকলক ভয় খুৱাবলৈ কাপুৰুষৰ দৰে কৰা প্ৰচেষ্টাও সমানেই ভয়ানক। এনেধৰণৰ হিংসাত্মক কাৰ্যকলাপে দেশৰ লক্ষ্য কেতিয়াও দুৰ্বল কৰিব নোৱাৰে বুলি শ্ৰী মোদীয়ে দৃঢ়তাৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ন্যায় সুনিশ্চিত কৰাৰ লগতে আইনৰ শাসন বৰ্তাই ৰাখিবলৈ কানাডাৰ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰত বিশ্বৰ একমাত্ৰ দেশ য'ত এঘাৰটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছে। নতুন দিল্লীত কালি মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় হিন্দী সমিতিৰ ৩২ সংখ্যক বৈঠকত শ্ৰীশ্বাহে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য হিন্দী ভাষাৰ বিকাশ তথা উদগণি যোগোৱাৰ বাবে নীতি-নিৰ্দেশনা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় হিন্দী সমিতিয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ

কৰে। হিন্দী ভাষাক শক্তিশালী কৰি তোলাৰ বাবে শ্ৰী শ্বাহে দুটা পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰে প্ৰথমটো হৈছে হিন্দী সাহিত্য আৰু ব্যাকৰণ গাঁথনিৰ বিকাশ সংৰক্ষণ আৰু স্থায়িত্বৰ বাবে দীৰ্ঘম্যাদী নীতি বিকশাই তোলা। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, সকলো আধুনিক শৈক্ষিক বিষয়বস্তু হিন্দী আৰু আন সকলো ভাৰতীয় ভাষালৈ অনুবাদ কৰাটো অত্যন্ত জৰুৰী।

শেহতীয়াকৈ আৰু ৫টা ভাৰতীয় ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰা বিষয় সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ভাষাৰ সংৰক্ষণ, ব্যাপক ব্যৱহাৰ আৰু ভাষাসমূহক উদগণি যোগোৱাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, এই প্ৰয়াসে ২০১৪ চনৰ পৰা ২০২৪ চনৰ সময়ছোৱাক ভাৰতীয় ভাষাৰ সংক্ষৰণ আৰু প্ৰসাৰৰ বাবে সমৰ্পণ কৰিছে। বৈঠকত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নাড্ডা, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, আইন আৰু ন্যায় বিভাগৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানো উপস্থিত আছিল।

০০০০০

ঝাৰখণ্ডত শাসক-বিৰোধী দলসমূহে অভিযোগ-প্ৰতি অভিযোগেৰে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাইজৰ কাষ চপাৰ প্ৰয়াস অব্যাহত ৰাখিছে। ভাৰতীয় জনতা পাৰ্টিৰ ঝাৰখণ্ডৰ নিৰ্বাচনৰ সহ-প্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ভোটবেংকৰ বাবে বাংলাদেশী অনুপ্ৰৱেশকাৰীক সুৰক্ষা প্ৰদান কৰি আহিছে বুলি অভিযোগ উত্থাপন কৰিছে।

আনহাতে জে এম এমৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ২০১৯ত ক্ষমতা দখল কৰাৰ পাছৰে বিজেপিয়ে তেওঁৰ চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি আহিছে বুলি অভিযোগ কৰিছে।

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ উদ্দেশ্যে আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাজ্যখনৰ ৰাচি আৰু লোহাৰডাগাত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজি এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত জামছেদপুৰ আৰু কোডাৰ্মাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ ল'ব। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেও আজি আই এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত মণ্ডু আৰু কাঁকেত প্ৰচাৰ চলাব।

০০০০০

ঝাৰখণ্ডৰ আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে আই এন ডি এ মিত্ৰজোঁটৰ বিজয় সন্দৰ্ভত আস্থা প্ৰকাশ কৰি কৈছে যে, তেওঁৰ চৰকাৰৰ নীতিৰ দ্বাৰা উপকৃত হোৱা লোকসকলৰ আশীৰ্বাদত ৰাজ্যখনত পুনৰ মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'ব।

হাটিয়াত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ধৰ্ম, পিছপৰা আৰু বিকশিত শ্ৰেণীৰ নামত সমাজৰ মাজত বিভাজন অনা বুলি বিৰোধী দল ভাৰতীয় জনতা পাৰ্টিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। বিজেপিৰ শাসনৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণৰ ভোকত মৃত্যু হোৱা বুলি অভিযোগ তোলে।

ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ আৰু মিত্ৰদলসমূহে জনজাতীয় লোকসকলক দীৰ্ঘদিন ধৰি দৰিদ্ৰ আৰু বঞ্চিত হিচাপে ৰাখিছে বুলি অভিযোগ কৰি কয় যে, ঝাৰখণ্ডৰ পৰা দাৰিদ্ৰ আঁতৰাবলৈ বিজেপি প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

মিজোৰামত আজি আইজল, ক'লাছিব আৰু ছাইতুৰাল জিলা তিনিখন সামৰি থকা ছিনলুং পাৰ্বত্য পৰিষদৰ ১২ গৰাকী সদস্য নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। এই নিৰ্বাচনত ১১ হাজাৰ ৯১৪ গৰাকী মহিলা ভোটদাতাকে ধৰি ২৩ হাজাৰতকৈও অধিক ভোটদাতাই বেলট পেপাৰৰ জৰিয়তে ৪৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই নিৰ্বাচনত ৬টা ভোটগ্ৰহণ কেন্দ্ৰক স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত মিজোৰামৰ ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিব পু কে লালডিংলিয়ানাই কয় যে, মুক্ত, স্বচ্ছ আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণৰ বিয়লি ৪ বজাত সামৰণি পৰিব। নিৰ্বাচন সুচলভাৱে সম্পন্ন হোৱাৰ স্বাৰ্থত ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে বুলি সচিবগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ৰাজ্যখনৰ সকলো ৰাজনৈতিক দল, বেচৰকাৰী সংস্থা তথা অংশীদাৰসকলৰ সহযোগিতা আহ্বান কৰে।

ৰাজ্যখনৰ শাসনাধিষ্ঠিত জোৰাম পিপলছ মুভমেণ্ট দলে নিৰ্বাচনত ৮খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে আটাইকেইটা আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। ৰাজ্যখনৰ প্ৰধান বিৰোধী মিজো নেচনেল ফ্ৰণ্টে ১০খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। নিৰ্বাচনত ১৪ গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও অংশগ্ৰহণ কৰিছে।

ooooo

ভাৰতীয় ৰেলৰেই আজিৰ পৰা ২২ খন উৎসৱ বিশেষ ৰেলগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰিছে। দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ পৰা যাত্ৰা আৰম্ভ কৰিবলগীয়া এই ৰেলগাড়ীসমূহ ছহৰছা, জয়নগৰ, পাটনা, মুজাফ্‌ফৰপুৰ, গোড়খপুৰ, দাৰভাংগা, ছেকেন্দ্ৰাবাদ আৰু মালদা টাউনলৈ চলাচল কৰিব। ৰেলৰেৰ তথ্য অনুসৰি ষট পূজাৰ সময়ত যাত্ৰীসকলৰ আৰামদায়ক যাত্ৰা সুনিশ্চিত কৰিবলৈ ২ৰ পৰা ৮ নৱেম্বৰলৈ ১৪৫ খন অতিৰিক্ত বিশেষ ৰেলগাড়ীৰো ব্যৱস্থা কৰা হৈছে। ভাৰতীয় ৰেলৰেই প্ৰতিদিনে দুই লাখ অতিৰিক্ত যাত্ৰীৰ যাত্ৰাৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থাই উৎসৱৰ সময়ত লক্ষাধিক ভক্তৰ অহা-যোৱাৰ সুবিধা কৰিছে।

ভাৰতীয় ৰেলৰেই উৎসৱৰ সময়ত যাত্ৰীৰ ভিৰ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ১ অক্টোবৰৰ পৰা অহা ৩০ নৱেম্বৰৰ ভিতৰত প্ৰায় ৭ হাজাৰ বিশেষ ৰেলগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰা বুলি প্ৰকাশ কৰিছে। উৎসৱৰ সময়ছোৱাত ৰেলৰেই এক কোটিতকৈও অধিক যাত্ৰীৰ পৰিবহণৰ ব্যৱস্থা কৰিবলৈ সাজু হৈছে। বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত চলাচল কৰোৱা বিশেষ ৰেলগাড়ীৰ সংখ্যা ২ হাজাৰ ৮০০ তকৈ বৃদ্ধি হৈছে। যোৱা বৰ্ষত এই উৎসৱৰ সময়ছোৱাত প্ৰায় চাৰে ৪ হাজাৰ বিশেষ ৰেলগাড়ীৰ চলাচল কৰোৱা হৈছিল।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত আজি বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন  অনুষ্ঠিত হ'ব। ৰিপাব্লিকান প্ৰাৰ্থী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ডেম'ক্ৰেটিক প্ৰাৰ্থী তথা বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰে যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত কেইবাটাও টাইম জ'ন থকাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সময় অনুসৰি আজি বিয়লি চাৰে ৫ বজাৰ পৰা চাৰে ৭ বজাৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈ কাইলৈ পুৱা চাৰে ৫ বজাৰ পৰা চাৰে ৯ বজাৰ ভিতৰত এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। ভোটগ্ৰহণৰ সামৰণিৰ পাছতেই

ইয়াৰ ফলাফল আশা কৰিব পৰা যাব যদিও পৰৱৰ্তী ৰাষ্ট্ৰপতিগৰাকীৰ নাম ঘোষণা হোৱালৈ কিছুদিন লাগিব। ইতিমধ্যে বহুতো লোকে পোষ্টেল ভোটদান ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ ভোটদান কৰিছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত পৰোক্ষ নিৰ্বাচনী ব্যৱস্থা ইলেকট'ৰেল কলেজৰ জৰিয়তে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয়। দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে প্ৰাৰ্থীগৰাকী ৫৩৮টা ইলেকট'ৰেল কলেজ ভোটৰ ভিতৰত ২৭০ বা ততোধিক ভোটৰ জৰিয়তে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব লাগিব। oooo

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, কেৰালা আৰু মাহেৰ ঠাই বিশেষে পাতলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগৰ তথ্য অনুসৰি কাইলৈ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত মুষলধাৰ বৰষুণ হোৱাৰ আশংকা আছে।

ইপিনে বিভাগে কাইলৈৰ দিনটোত পূব উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিমবংগৰ বিশেষ কিছু এলেকাক কুঁৱলীয়ে আৱৰি ৰাখিব বুলি জানিবলৈ দিছে।

oooooo

ভাৰতৰ ঋত্বিক চৌধাৰী বল্লীপাল্লী আৰু তেওঁৰ সহযোগী পৰ্টুগালৰ ফ্ৰান্সিস্ক' কাৰ্বালে ফ্ৰান্সত চলি থকা ম'ছেলে অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু পৰ্টুগালৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আৰ্থাৰ কেজক্স আৰু হেৰ'ল্ড মেয়টৰ বিৰুদ্ধে ৱাকঅভাৰ লাভ কৰে।

খেলুৱৈ দুগৰাকী প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত পৰিহিলৈ শীৰ্ষ বাছনিপ্ৰাপ্ত মেক্সিকোৰ ছাণ্টিয়াগ' গঞ্জালেজ আৰু ফ্ৰান্সৰ এডৱাৰ্ড ৰ'জাৰ ভেছেলিনৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত